# Joint Call on Prime Minister by National Security Advisers / Secretaries of Security Councils attending the "Delhi Regional Security Dialogue on Afghanistan”

November 10, 2021

---

# “আফগানিস্তানৰ ওপৰত দিল্লী আঞ্চলিক সুৰক্ষা আলোচনা”ত অংশগ্ৰহণ কৰা ৰাষ্ট্ৰীয় সুৰক্ষা পৰামৰ্শদাতা/সুৰক্ষা পৰিষদৰ সচিবসকলৰ যুটীয়া সাক্ষাৎ প্ৰধানমন্ত্ৰীৰ সৈতে

নৱেম্বৰ 10, 2021

সাতখন দেশৰ ৰাষ্ট্ৰীয় সুৰক্ষা পৰিষদৰ প্ৰমুখে, যিসকল ৰাষ্ট্ৰীয় সুৰক্ষা পৰামৰ্শদাতা শ্ৰী অজিৎ ডোভালে অনুষ্ঠিত কৰা আফগানিস্তানৰ ওপৰত দিল্লী আঞ্চলিক সুৰক্ষা আলোচনাৰ বাবে দিল্লী আহিছে, আলোচনাৰ সামৰণিৰ পিছত যুটীয়াভাৱে প্ৰধান মন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে।

প্ৰধান মন্ত্ৰীলৈ নিজৰ মন্তব্যত, ইৰান, কাজাকিস্তান, কিৰিগিস্তান, ৰুছ, তাজিকিস্তান, তুৰ্কমিনিস্তান আৰু উজ্বেকিস্তান দেশসমূহক প্ৰতিনিধিত্ব কৰা নিজ নিজ জ্যেষ্ঠ সুৰক্ষা বিষয়াসকলে এই আলোচনা অনুষ্ঠিত কৰাৰ বাবে আৰু ভাব বিনিময়ৰ মানদণ্ডৰ ওপৰত ভাৰতৰ পদক্ষেপৰ প্ৰশংসা প্ৰকাশ কৰে। লগতে তেওঁলোকে আফগান পৰিস্থিতিৰ ওপৰত নিজ নিজ দেশৰ দৃষ্টিভঙ্গী প্ৰকাশ কৰে।

প্ৰধান মন্ত্ৰীয়ে দিল্লী সুৰক্ষা আলোচনাত মহামাৰীৰে উত্থাপন কৰা প্ৰত্যাহ্বানবোৰৰ স্বত্তেও জ্যেষ্ঠ বিশিষ্ট ব্যক্তিসকলৰ অংশগ্ৰহণৰ প্ৰশংসা কৰে।

আফগানিস্তানৰ প্ৰসঙ্গত তেওঁ চাৰিটা দিশ উল্লেখ কৰে যাৰ ওপৰত অঞ্চলটোৰ দেশসমূহে মনোযোগ দিয়া উচিত।: এক অন্তৰ্ভুক্ত চৰকাৰৰ প্ৰয়োজন; সন্ত্ৰাসবাদী গোটসমূহে আফগান অঞ্চল ব্যৱহাৰৰ প্ৰতি শূন্য-সহনশীলতা; আফগানিস্তানৰ পৰা ড্ৰাগছ আৰু অস্ত্ৰৰ সৰবৰাহৰ সৈতে যুঁজিবলৈ এক কৌশলত, আৰু আফগানিস্তানত বাঢ়ি অহা গুৰুতৰ মানৱতা সংকটৰ সম্বোধন কৰা।

প্ৰধান মন্ত্ৰীয়ে লগতে আশা প্ৰকাশ কৰে যে আঞ্চলিক সুৰক্ষা আলোচনাই মধ্য এচিয়াৰ সংযম আৰু প্ৰগতিশীল সংস্কৃতিৰ পৰম্পৰা, আৰু সন্ত্ৰাসবাদ বিৰোধিতা প্ৰৱণতা পুনৰ সজীৱ কৰাৰ বাবে কাম কৰিব।

**নতুন দিল্লী**
**নৱেম্বৰ 10, 2021**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.